**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 12-12-2025 **Time :** 1100 Hrs.

0000000000

জুবিন গাৰ্গৰ ছিংগাপুৰত ৰহস্যজনক মৃত্যু সন্দৰ্ভত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ তদন্তকাৰী গোট, এছ আই টিয়ে কিছু সময়ৰ পাছতে আদালতত অভিযোগনামা দাখিল কৰিব। দীঘলীয়া অনুসন্ধান আৰু ৩ শতাধিক লোকৰ সাক্ষ্যৰ ভিত্তিত এছ আই টিয়ে গোচৰটোৰ অভিযোগনামা সাজু কৰি উলিয়াইছে। এই ঘটনা সন্দৰ্ভত চি আই ডিত ৰুজু হোৱা ১৮/২০২৫ নম্বৰৰ গোচৰটোৰ অভিযোগনামা আজি আদালতত দাখিল কৰা হ'ব। ইতিমধ্যে এছ আই টিৰ দলে প্ৰায় ৩ হাজাৰ ৫০০ পৃষ্ঠাজোৰা ছাৰ্জশ্বিট লৈ চি আই ডিৰ কাৰ্যালয়ৰ পৰা আদালত অভিমুখে ৰাওনা হৈছে। অৱশ্যে জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত ৰুজু হোৱা ১৯/২০২৫ নম্বৰৰ দ্বিতীয়টো গোচৰৰ তদন্ত অব্যাহত থাকিব।

০০০০০০০

বি টি আৰত আজি অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ শুভাৰম্ভণি অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই আঁচনিৰ অধীনত বি টি আৰৰ ৪ লাখ ৫০ হাজাৰ লোকক সামৰি লোৱা হৈছে। অৰুণোদয় আঁচনিত ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আৰু দীনদয়াল দিব্যাংগজন সাহায্য আঁচনি অন্তৰ্ভুক্ত কৰা হৈছে। এই উপলক্ষে আজি কোকৰাঝাৰৰ বড়োফা নগৰৰ গ্ৰীণফিল্ডত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত বি টি চিৰ মুৰববী হাগ্ৰামা মহিলাৰী, বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা উপস্থিত থাকিব। বি টি আৰৰ প্ৰতিখন জিলাতে অৰুণোদয় আঁচনিৰ তৃতীয় পৰ্যায়ৰ আৰম্ভণি উপলক্ষে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। ওদালগুৰি জিলাত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকা আৰু চৰণ বড়োৱে অংশ ল'ব। বাক্সা জিলাত ৰঞ্জিত কুমাৰ দাস আৰু উৰ্খাও গৌড়া ব্ৰহ্ম, তামুলপুৰ জিলাত চন্দ্ৰমোহন পাটোৱাৰী আৰু নন্দিতা গাৰ্লোছা আৰু চিৰাং জিলাত ৰূপেশ গোৱালা আৰু কৌশিক ৰায় উপস্থিত থাকিব।

০০০০০০০

স্বাস্থ্য আৰু চিকিৎসা শিক্ষা বিভাগৰ পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলক অহা ২২ ডিচেম্বৰত নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে এই কথা ঘোষণা কৰিছে। তেওঁ লগতে অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাৰ নিযুক্তিৰ ক্ষেত্ৰত কিছু জটিলতাৰ বাবে পলম হৈছে যদিও শীঘ্ৰেই ইয়াৰ নিযুক্তি পত্ৰ প্ৰদানৰ দিনো ঘোষণা কৰা হ'ব বুলি উল্লেখ কৰে।

০০০০০০০

গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত কাইলৈৰ পৰা ১৫ ডিচেম্বৰলৈ চতুৰ্থ সমবায় মেলাৰ আয়োজন কৰা হৈছে। এই মেলাত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমবায় সমিতিসমূহে অংশগ্ৰহণ কৰিব। মেলাত হাতেবোৱা কাপোৰ, বাঁহ-বেতেৰে নিৰ্মিত সামগ্ৰী, পানী মেটেকা, মৰাপাটেৰে নিৰ্মিত সামগ্ৰী, কাঁহৰ সামগ্ৰী, পৰম্পৰাগত অসমীয়া গহণা, থলুৱা খাদ্য সম্ভাৰ, টেৰাকোটা সামগ্ৰীকে ধৰি বিবিধ সামগ্ৰী বিক্ৰী

আৰু প্ৰদৰ্শন কৰা হ'ব। সমবায় মেলাৰ লগত সংগতি ৰাখি পৰম্পৰাগত সাজ-পাৰ, লোকনৃত্য, সুসজ্জিত বিপণী, সংগীত, কুইজ, তৰ্ক আৰু চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে মণিপুৰলৈ অহা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি মণিপুৰৰ ইম্ফলত থকা নুপি লাল স্মাৰক পৰিদৰ্শন কৰাৰ লগতে ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ন্যায় বিচাৰি যুঁজ দিয়া মণিপুৰৰ সাহসী মহিলাসকলৰ প্ৰতি শ্ৰদ্ধা তৰ্পণ কৰিব। ইয়াৰ পাছত তেওঁ সেনাপতি জিলাত এখন জনসভাত অংশ ল'ব আৰু জিলাখনত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কালি সন্ধিয়া ইম্ফলত এহেজাৰ ৩৮৭ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত স্বাস্থ্য খণ্ড, শিক্ষা, পথ আৰু ঘাইপথ, জনজাতি উন্নয়ন, কৃষি, বিদ্যুৎ আৰু খোৱাপানী যোগান প্ৰকল্প অন্যতম। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই প্ৰকল্পসমূহে ৰাজ্যখনত অধিক নিয়োগ সৃষ্টি কৰাৰ লগতে আন্তঃগাঁথনিৰ বিকাশ আৰু অৰ্থনৈতিক কাম-কাজসমূহক অধিক গতি প্ৰদান কৰিব। এই উপলক্ষে দিয়া ভাষণত শ্ৰীমতী মুৰ্মুৱে কয়, যে এই প্ৰকল্পসমূহে ৰাজ্যখনত অধিক নিয়োগ সৃষ্টি কৰাৰ লগতে আন্তঃগাঁথনিৰ বিকাশ আৰু অৰ্থনৈতিক কাম-কাজসমূহক অধিক গতি প্ৰদান কৰিব। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ সন্মানাৰ্থে ইম্ফলৰ চিটী কনভেন্সন চেণ্টাৰত আয়োজন কৰা নাগৰিক অভ্যৰ্থনা অনুষ্ঠানত অংশ লয়। অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে মণিপুৰৰ জনসাধাৰণে শেহতীয়াকৈ সন্মুখীন হোৱা সমস্যাৰ বাবে দুখ প্ৰকাশ কৰি কয়, যে কেন্দ্ৰীয় চৰকাৰে এই বিষয়টোক সৰ্বাধিক অগ্ৰাধিকাৰ দিছে আৰু ৰাজ্যখনলৈ শান্তি-শৃংখলা ঘূৰাই অনাৰ বাবে কাম কৰিছে।

ৰাষ্ট্ৰপতি মুৰ্মুৱে কালি সন্ধিয়া ইম্ফলৰ ৰাজভৱনত ৰাজ্যখনৰ গৃহচ্যুত হোৱা লোকসকলক সাক্ষাৎ কৰি তেওঁলোকৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত কাইলৈ নিশা ৮ বাজি ২ মিনিটত শিশুৰ বিকাশ আৰু মহিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰী কাৰ্যসূচী সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আলোচনাত ভাগ ল'ব শিশু বিকাশ প্ৰকল্পৰ ছিপাঝাৰৰ প্ৰকল্প বিষয়া প্ৰণীতা তালুকদাৰ আৰু ৰামপুৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া গীতা দেৱীয়ে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টীৰাণী ডেকাই। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু প্ৰযোজনা সহযোগী হৈছে আমিনুল ইছলাম।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত চিৰাং জিলাত উদ্যোগ আৰু বাণিজ্য বিভাগৰ উন্নয়নমূলক কাম-কাজ সন্দৰ্ভত বিভাগটোৰ ভাৰপ্ৰাপ্ত মহা প্ৰবন্ধক বিক্ৰম কলিতাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিছে আমাৰ চিৰাং জিলাৰ সংবাদদাতা কুঞ্জ মোহন ৰায়ে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

**সমাপ্ত**